# India's view on the Treaty on the Prohibition of Nuclear Weapons

January 22, 2021

---

# পাৰমাণৱিক অস্ত্ৰ নিষেদ চুক্তিৰ ওপৰত ভাৰতৰ মন্তব্য

জানুৱাৰী 22, 2021

ভাৰতে উষ্চ অগ্ৰাধিকাৰ দিয়া অব্যাহত ৰাখিছে আৰু প্ৰতিশ্ৰুতিবদ্ধ আছে এক বিশ্বজোৰা, অ-বৈষম্যমূলক আৰু প্ৰমাণযোগ্য পাৰমাণৱিক নিৰস্ত্ৰীকৰণৰ প্ৰতি।

পাৰমাণৱিক অস্ত্ৰ নিষেদ চুক্তিৰ (টি পি এন ডাব্লিউ) ক্ষেত্ৰত, ভাৰতে টি পি এন ডাব্লিউ মীমাংসাত অংশগ্ৰহণ কৰা নাই আৰু অবিচলিতভাৱে এয়া স্পষ্ট কৰি আহিছে যে ভাৰত এই চুক্তিৰ অংশ নহয়। ভাৰতে এই চুক্তিখনৰ সমৰ্থন নকৰে, আৰু ইয়াৰ পৰা উৎপন্ন হোৱা কোনো দায়িত্বত বান্ধ নাখাই। ভাৰতে এয়া বিশ্বাস কৰে যে এই চুক্তিখনে পৰম্পৰাগত আন্তঃৰাষ্ট্ৰীয় আইনৰ বিকাশৰ গঠন বা ইয়াত কোনো অৱদান নিদিয়ে; আৰু কোনো নতুন মানদণ্ড বা নিয়মো স্থাপন নকৰে।

ভাৰতে নিজৰ প্ৰতিশ্ৰুতি পুনৰ উল্লেখ কৰে এক পাৰমাণৱিক অস্ত্ৰ মুক্তি বিশ্বৰ লক্ষ্যৰ প্ৰতি। ভাৰতে বিশ্বাস কৰে যে এই লক্ষ্য অৰ্জন কৰিব পৰা যায় এক স্তৰ-স্তৰ প্ৰক্ৰিয়াৰে এক বিশ্বজোৰা প্ৰতিশ্ৰুতিৰে লিখিত আৰু এক সন্মত বিশ্বব্যাপী আৰু অ-বৈষম্যমূলক বহুপক্ষীয় গাঁথনিৰ যোগেদি, যি ৰাষ্ট্ৰ সংঘৰ সাধাৰণ সভা আৰু নিৰস্ত্ৰীকৰণ সন্মিলনত জমা কৰা "পাৰমাণৱিক নিৰস্ত্ৰীকৰণ" শীৰ্ষক ভাৰতৰ কৰ্মৰত নথিত উল্লেখ আছে। এই সন্দৰ্ভত, ভাৰতে নিৰস্ত্ৰীকৰণ সন্মিলনত বিস্তৃত পাৰমাণৱিক অস্ত্ৰ অধিৱেশনৰ ওপৰত মীমাংসাৰ সমৰ্থন কৰে, যি হৈছে সন্মতিৰ ভিত্তিত কাৰ্য কৰা বিশ্বৰ একমাত্ৰ বহুপক্ষীয় নিৰস্ত্ৰীকৰণ মীমাংসা মঞ্চ। ভাৰতে সকলো ৰাষ্ট্ৰ সংঘৰ সদস্য দেশৰ সৈতে একেলগে কাম কৰিবলৈ সাজু পাৰমাণৱিক অস্ত্ৰ মুক্ত এক বিশ্বৰ লক্ষ্যৰ প্ৰতি।

**নতুন দিল্লী**
**জানুৱাৰী 22, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.